# <u>মুখ্যমন্ত্ৰীৰ কেলেংকাৰী গুচৰৰ বিৰুদ্ধে হিমাচল প্ৰদেশৰ চৰকাৰে কি কৰিব</u>

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা**

কংগ্ৰেছ দ'ল আৰু শ্ৰীযুত বীৰ ভদ্ৰ সিং নিলাজৰ দ্বৰে দুৰ্নীতিৰ কেলেংকাৰীৰ পৰা ওলাই অহাৰ সৃষ্টি কৰিছে । শ্ৰীমতী চোনীয়া গান্ধী আৰু শ্ৰীৰাহুল গান্ধী মৌনতাৰ আৰঁত লুকাই পৰিছে । শ্ৰীযুত বীৰভদ্ৰ সিঙে সকলোকে সকিয়নি দিছে যে কেলেংকাৰীৰ দোষসমূহ প্ৰমাণিত নকৰাকৈ তেওঁৰ বিৰুদ্ধে কোনেও এফ আই আৰ দাখিল কৰিব নোৱাৰিব ।

তেওঁৰ বিৰুদ্ধে আগতে থকা দোষসমূহ ইতিমধ্যে চি বি আই ৰ দ্বাৰা অনুসন্ধান কৰা হৈছে । এই দোষৰ সম্পৰ্ক 'ভি বি এচ' ৰ সৈতে আছে যি ষ্টীল মেনুফেক্সাৰিং কোম্পানীৰ ডায়েৰিত পোৱা গৈছিল । দ্বিতীয়টো দোষ জড়িত আছিল চিমলা বেংকত ৫.৫ কোটি জমা কৰা আৰু সেই টকা বীৰভদ্ৰ সিং আৰু পৰিয়ালৰ সদস্যসকলৰ এল আই চি পলিচিৰ বাবে আনন্দ চৌহানৰ নামত স্থানান্তৰ হৈছিল । এই আৰূপো, মই যিমানদূৰ জানো চি বি আইৰ দ্বাৰা অনুসন্ধান  কৰা হৈছিল ।

তৃতীয় আৰূপ পাৱাৰ কোম্পানীৰ সৈতে লেনদেনৰ লগত জড়িত যিটো আৰূপ এতিয়াও অনুসন্ধান আৰু প্ৰমাণিত হ'বলৈ বাকী আছে । শ্ৰীযুত বীৰভদ্ৰ  সিঙ, তেওঁৰ পৰিয়ালৰ সদস্য আৰু তেওঁলোকৰ কোম্পানীয়ে পাৱাৰ কোম্পানীৰ উদ্যোক্তাসকলৰ পৰা সুতহীন লোন লাভ কৰিছিল । পাৱাৰ কোম্পানীয়ে হিমাচল প্ৰদেশ চৰকাৰৰ সৈতে লেনদেন কৰিছিল যি দিয়াৰ সময়ত কোম্পানীৰ সপক্ষে আদেশ অহিছিল । এই বিষয়টোৱে প্ৰথম দৃষ্টিত প্ৰতিষ্ঠা কৰিছিল যে লোনৰ টকাবোৰ আন আন ধাৰ দিওঁতাসকলৰ কোম্পানীৰ পৰা অংশ কিনাৰ বাবে ব্যৱহাৰ কৰা হৈছিল । এই টকা বহুতো ঠাইত ব্যৱহাৰ কৰাৰ তথ্যও ওলাই পৰিছে ।

প্ৰিভেনচন অফ ক'ৰাপছন এক্ট ৰ অনুচ্ছেদ **১১** ই চৰকাৰী সেৱাত লিপ্ত থকা লোকক শাস্তি প্ৰদান কৰিব পাৰে যি নিজৰ কাৰ্য্যলয়ৰ ক্ষমতাৰ অধীনত যি কোনো ব্যৱসায়িক লেনদেনৰ লগত জড়িত থাকে । এই দোষৰূপত তেওঁৰ শাস্তি ৫ বছৰ পৰ্য্যন্ত হ'ব পাৰে । তেওঁ ভালদৰে জানিছিল যে পাৱাৰ কোম্পানীয়ে হিমাচল প্ৰদেশ ৰাজ্যৰ সৈতে ব্যৱসায় কৰিব'লৈ গৈ আছে, তেনে ক্ষেত্ৰত মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিবাৰে সুতবিহীন লোন লৈছিল । এই লেনদেনেও প্ৰিভেনচন অফ ক'ৰাপছন এক্ট ৰ অনুচ্ছেদ ১৩(১)(বি) ভংগ কৰিছে । এই অনুচ্ছেদৰ অন্তৰ্গত উক্ত আৰূপো শাস্তিৰ যোগ্য কাৰণ

তেওঁ নিজে চৰকাৰী কৰ্মচাৰী হৈও নিজৰ আৰু আনৰ বাবে মূল্যৱান বস্তুৰ ব্যৱহাৰৰ সুবিধা লৈছে । কোনো বিবেচনাবিহীন ভাৱে তেওঁ সুতবিহীন লোনৰ দ্বাৰে মূল্যৱান বস্তু লৈছে ।

প্ৰিভেনছন অফ ক'ৰাপছন এক্ট ৰ অনুচ্ছেদ ২০ টো এই আইনৰ এক উল্লেখযোগ্য অনুচ্ছেদ । যদি এজন চৰকাৰী কৰ্মচাৰীয়ে এক মূল্যৱান বস্তু লয়, যি আইনী পাৰিশ্ৰামিক নহয়, তেনেক্ষেত্ৰত সেইয়া উৎকোচ লোৱা বুলিয়ে ধৰা হয় । এতিয়া চৰকাৰী কৰ্মচাৰীজনৰ দায়িত্ব এইয়া প্ৰমাণ কৰাৰ যে সেইয়া কিয় উৎকোচ নহয় । এই কাৰনবশতঃ মই ইয়াক এক খোলা আৰু সংকুচিত গুচৰ আখ্যা দিছো । কাৰণ এই গুচৰ নিজৰ মুখ্যমন্ত্ৰীৰ বিৰোদ্ধে হিমাচল প্ৰদেশৰ পুলিচে কেতিয়াও অনুসন্ধান নকৰে । ২৯ ডিচেম্বৰ ২০১৩ তাৰিখে চি বি আইৰ সঞ্চালকপ্ৰধানলৈ মই দিয়া পত্ৰখন এফ আই আৰৰ দ্বাৰেই বিধিমত গঠন কৰে । ইয়াৰ অনুসন্ধানৰ বাবে দিল্লী স্পেছিয়েল পুলিচ (এষ্টাব্লিছমেণ্ট) এক্টৰ অনুচ্ছেদ ৬ ৰ অন্তৰ্গত ৰাজ্য চৰকাৰৰ মান্যতাৰ প্ৰয়োজন । মই হিমাচল প্ৰদেশৰ ৰাজ্য চৰকাৰক মান্যতা প্ৰদানৰ বাবে সকিয়নি দিছো যাতে অতি সোনকালে এই আৰূপৰ অনুসন্ধান আৰম্ভ হ'ব পাৰে ।